| অধ্যায় ৩ | লোকতান্ত্ৰিক চীন গণৰাজ্যৰ বিধানমণ্ডল : জাতীয় গণ-কংগ্ৰেছ (The Legislature of the People's Republic of China : The National People's Congress) |
|---|---|

## জাতীয় গণ-কংগ্ৰেছ
## (National People's Congress)

সংবিধানৰ বিধান অনুযায়ী চীন গণৰাজ্যৰ বিধানমণ্ডলক জাতীয় গণ-কংগ্ৰেছ বুলি জনা যায়। ১৯৮২ চনৰ সংবিধানৰ ৫৭ নং অনুচ্ছেদত জাতীয় গণ-কংগ্ৰেছক ৰাষ্ট্ৰশক্তিৰ সৰ্বোচ্চ সংস্থা (The highest organ of State Power) বুলি অভিহিত কৰা হৈছে। জাতীয় গণ-কংগ্ৰেছ চীন গণৰাজ্যৰ একমাত্ৰ আইন বিভাগীয় সংগঠন। ই একসদনবিশিষ্ট। জাতীয় গণ-কংগ্ৰেছ সকলো প্ৰকাৰ বন্ধনমুক্ত। ইয়াৰ ক্ষমতা অসীম। সংবিধানে ইয়াৰ ওপৰত বিভিন্ন প্ৰকাৰৰ ক্ষমতা আৰু কাৰ্য ন্যস্ত কৰাৰ ফলত জাতীয় গণ-কংগ্ৰেছ ৰাষ্ট্ৰৰ সকলো ক্ষমতা আৰু কৰ্তৃত্বৰ ভাণ্ডাৰ বুলি ক'ব পাৰি।

**জাতীয় গণ-কংগ্ৰেছৰ গঠন (Composition of the National People's Congress) :** জাতীয় গণ-কংগ্ৰেছ একসদনীয়। ই পৃথিৱীৰ ভিতৰত বৃহত্তম সদন। ইয়াৰ সদস্যসংখ্যা প্ৰায় তিনি হাজাৰ জন। সংবিধানৰ ৫৯ নং অনুচ্ছেদ অনুসৰি বিভিন্ন প্ৰদেশ, স্বায়ত্ত-শাসিত অঞ্চলসমূহ, কেন্দ্ৰীয় কৰ্তৃত্বৰ তলত থকা পৌৰসভা, সশস্ত্ৰবাহিনী আৰু বিদেশত বসবাসকাৰী চীনা নাগৰিকসকলৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলক লৈ জাতীয় গণ-কংগ্ৰেছ গঠিত হয়। সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত গোপন ভোট প্ৰথাৰে চীনা নাগৰিকসকলে ইয়াৰ সদস্যসকলক নিৰ্বাচন কৰে।

জাতীয় গণ-কংগ্ৰেছৰ সদস্যসংখ্যা আৰু ইয়াৰ নিৰ্বাচন পদ্ধতি আইনৰ দ্বাৰা স্থিৰীকৃত। জাতি, ধৰ্ম, বৰ্ণ, শিক্ষা, সম্পত্তি বা বাসস্থান আদি ভেদে ১৮ বছৰ বয়সপ্ৰাপ্ত সকলো চীনা নাগৰিকে জাতীয় গণ-কংগ্ৰেছলৈ নিৰ্বাচিত হোৱাৰ আৰু ভোটদানৰ অধিকাৰ আছে। অৱশ্যে উন্মাদ আৰু আইনে যিসকল লোকক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিছে তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা বা ভোটদান কৰিব নোৱাৰে।

**কাৰ্যকাল (Duration) :** জাতীয় গণ-কংগ্ৰেছৰ কাৰ্যকাল ৫ বছৰ। জাতীয় গণ-কংগ্ৰেছৰ কাৰ্যকাল শেষ হোৱাৰ দুমাহৰ আগেয়ে ইয়াৰ স্থায়ী সমিতিয়ে নতুন কংগ্ৰেছ নিৰ্বাচন কৰিব লাগে। কোনো অস্বাভাৱিক পৰিস্থিতিৰ বাবে যথাসময়ত নিৰ্বাচন পাতিব নোৱাৰিলে পৰৱৰ্তী জাতীয় গণ-কংগ্ৰেছৰ প্ৰথম অধিৱেশন আৰম্ভ নোহোৱালৈকে আগৰ জাতীয় গণ-কংগ্ৰেছ ক্ষমতাত থাকিব বুলি স্থায়ী সমিতিৰ দুই-তৃতীয়াংশ সদস্যই প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। অৱশ্যে অস্বাভাৱিক অৱস্থা অন্ত পৰাৰ এবছৰৰ ভিতৰত নতুন কংগ্ৰেছৰ নিৰ্বাচন অনুষ্ঠিত হ'ব লাগে।

সংবিধানৰ ৬১ নং অনুচ্ছেদ অনুসৰি জীতায় গণ-কংগ্ৰেছৰ অধিবেশন ইয়াৰ স্থায়ী সমিতিয়ে

Scanned with CamScanner

বছৰত এবাৰকৈ আহ্বান কৰে। অৱশ্যে স্থায়ী সমিতিয়ে নিজা উদ্যোগত নাইবা কংগ্ৰেছৰ এক-পঞ্চমাংশ সদস্যৰ ইচ্ছানুযায়ী যিকোনো সময়ত ইয়াৰ অধিৱেশন আহ্বান কৰিব পাৰে।

**জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলৰ বিশেষ সুবিধা (Privileges of the members of the National People's Congress) :** অন্যান্য গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বিধানমণ্ডলৰ সদস্যসকলৰ নিচিনা জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলেও কিছুমান বিশেষ সুবিধা ভোগ কৰে। কংগ্ৰেছৰ মজিয়াত সদস্যসকলে স্বাধীনভাৱে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে। সদস্যসকলে চৰকাৰৰ বিভাগীয় মন্ত্ৰীসকলক বিভিন্ন ধৰণৰ প্ৰশ্ন সুধিব পাৰে আৰু মন্ত্ৰীসকলে সেইবোৰ প্ৰশ্নৰ সন্তোষজনক উত্তৰ দিবলৈ বাধ্য থাকে। কংগ্ৰেছৰ সন্মতি নোহোৱাকৈ বা কংগ্ৰেছৰ অধিৱেশন নথকা সময়ত স্থায়ী সমিতিৰ অনুমতি নোহোৱাকৈ কংগ্ৰেছৰ কোনো সদস্যক (ডেপুটিক) গ্ৰেপ্তাৰ বা বিচাৰ কৰিব পৰা নহয়। অৱশ্যে কংগ্ৰেছৰ সদস্যসকল নিজ কাৰ্যকলাপৰ বাবে নিজৰ নিজৰ এলেকাৰ কংগ্ৰেছৰ ওচৰত দায়বদ্ধ থাকে। নিৰ্বাচকমণ্ডলীয়ে আইনবিহিত প্ৰণালীৰে তেওঁলোকৰ নিৰ্বাচিত সদস্যসকলক ঘূৰাই নি নতুন সদস্য নিৰ্বাচন কৰি পঠাব পাৰে।

**জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলৰ কৰ্তব্য (Duties of the members of the National People's Congress) :** ওপৰত উল্লেখ কৰা অধিকাৰবিলাক ভোগ কৰাৰ লগে লগে গণ-কংগ্ৰেছৰ সদস্যসকলে কিছুমান কৰ্তব্যও পালন কৰিব লাগে। সেইবোৰ হ'ল সংবিধান আৰু আইন মানি চলাৰ ক্ষেত্ৰত অনুকৰণীয় ভূমিকা পালন, ৰাষ্ট্ৰীয় গোপনীয়তা সংৰক্ষণ, উৎপাদন আৰু অন্যান্য গণ-স্বাৰ্থ সম্পৰ্কীয় কাৰ্যাৱলী সম্পাদন, সংবিধান আৰু আইন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সাহায্য প্ৰদান ইত্যাদিবোৰ হ'ল জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলৰ পালন কৰিবলগীয়া কৰ্তব্য। ইয়াৰ উপৰি, কংগ্ৰেছৰ সদস্যসকলে নিৰ্বাচকমণ্ডলী আৰু জনসাধাৰণৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখিব লাগে। জনসাধাৰণৰ মতামতৰ প্ৰতি মনোযোগ দিব লাগে আৰু জনসেৱাৰ মনোভাৱ গঢ়ি তুলিব লাগে।

**জাতীয় গণ-কংগ্ৰেছৰ ক্ষমতা আৰু কাৰ্য (Powers and Functions of the National People's Congress) :** ১৯৮২ চনৰ সংবিধানে জাতীয় গণ-কংগ্ৰেছক বিভিন্ন দিশত ব্যাপক ক্ষমতা প্ৰদান কৰিছে। ই একাধাৰে আইন, শাসন আৰু বিচাৰ সম্পৰ্কীয় ক্ষমতা আৰু কাৰ্য সম্পাদন কৰে। তলত সেইবোৰৰ আলোচনা কৰা হ'ল—

**১। সংবিধান সংশোধনী ক্ষমতা (Power to Amend the Constitution) :** লোকতান্ত্ৰিক চীনৰ সংবিধান লিখিত হ'লেও ই আমেৰিকাৰ সংবিধানৰ দৰে দৃঢ় সংবিধান নহয়। ইয়াৰ সংবিধান সংশোধনৰ ক্ষেত্ৰত কোনো বিশেষ পদ্ধতি নাই। চীনৰ সংবিধানৰ ৬৪ নং অনুচ্ছেদত সংবিধান সংশোধনৰ পদ্ধতি ব্যাখ্যা কৰা হৈছে। সেই পদ্ধতি মতে চীনৰ সংবিধান সংশোধন ক্ষমতা কেৱলমাত্ৰ জাতীয় গণ-কংগ্ৰেছৰ ওপৰত ন্যস্ত আছে। সংবিধান সংশোধন বিষয়ক প্ৰস্তাৱ স্থায়ী সমিতি বা জাতীয় গণ-কংগ্ৰেছৰ এক-পঞ্চমাংশ সদস্যই উত্থাপন কৰিব পাৰে। কংগ্ৰেছৰ মুঠ সদস্যৰ দুই-তৃতীয়াংশ সদস্যৰ সন্মতি সাপেক্ষে সংবিধানৰ যিকোনো অংশ সংশোধন কৰিব পাৰি। সংবিধানৰ কাৰ্যকাৰিতাৰ বিষয়ে কংগ্ৰেছে প্ৰয়োজনীয় ব্যৱস্থা



Scanned with CamScanner

গ্ৰহণ কৰিব লাগে।

চীন গণৰাজ্যৰ সংবিধান সংশোধন পদ্ধতিটো দেখাত অনমনীয় (Rigid) হ'লেও কাৰ্যক্ষেত্ৰত এই পদ্ধতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ পদ্ধতিৰ দৰে অনমনীয় নহয়। আনহাতে ইয়াক এটা নমনীয় (Flexible) পদ্ধতি বুলিহে ক'ব পাৰি। কিয়নো চীনত একদলীয় শাসন ব্যৱস্থা বিদ্যমান। কংগ্ৰেছৰ সকলো সদস্যই হ'ল সাম্যবাদী দলৰ। গতিকে সংবিধান সংশোধন কৰাৰ ক্ষেত্ৰত কংগ্ৰেছৰ দুই-তৃতীয়াংশ সদস্যৰ সমৰ্থন লাভ কৰা টান নহয়।

**২। আইন প্ৰণয়ন ক্ষমতা (Legislative Power) ঃ** জাতীয় গণ-কংগ্ৰেছক ৰাষ্ট্ৰৰ একমাত্ৰ বিধায়ী অংগ হিচাপে সাংবিধানিক মৰ্যাদা দিয়া হৈছে। আইন প্ৰণয়ন সম্পৰ্কীয় যিকোনো বিধেয়ক বা প্ৰস্তাৱ ইয়াত উত্থাপন কৰিব লাগে। তেনে বিধেয়ক বা প্ৰস্তাৱ কংগ্ৰেছৰ সাধাৰণ সংখ্যাগৰিষ্ঠ ভোটত গৃহীত হ'লে সি আইনত পৰিণত হয়। ইয়াৰ উপৰি, দেৱানী, ফৌজদাৰী আৰু অন্যান্য বিষয়ৰ ওপৰত মূল বিধি ৰচনা কৰা আৰু প্ৰয়োজনসাপেক্ষে সংশোধন কৰা ক্ষমতা জাতীয় গণ-কংগ্ৰেছৰ আছে। জাতীয় গণ-কংগ্ৰেছৰ আইন সকলোৰে কাৰণে সমানে প্ৰযোজ্য। ইয়াৰ আইনৰ ওপৰত কোনো কৰ্তৃপক্ষই 'ভেটো' প্ৰয়োগ কৰিব নোৱাৰে। আনকি, চীন দেশৰ গণ-আদালতবো ন্যায়িক সমীক্ষা দিয়াৰ অধিকাৰ নাই। ৰাষ্ট্ৰপতিয়ে কংগ্ৰেছৰ দ্বাৰা গৃহীত আইনৰ ঘোষণা জাৰি কৰিব পাৰে।

**৩। প্ৰশাসনীয় ক্ষমতা (Administrative Power) ঃ** সংবিধান অনুসৰি জাতীয় গণ-কংগ্ৰেছ প্ৰশাসনিক ক্ৰিয়াকলাপৰ অধিকাৰী। ৰাষ্ট্ৰীয় পৰিষদ আৰু স্থায়ী সমিতিৰ সদস্যসকল তেওঁলোকৰ কাৰ্যকলাপৰ বাবে গণ-কংগ্ৰেছৰ ওচৰত দায়ী থাকে। সিবিলাকে নিজৰ কাৰ্যাৱলীৰ বাবে কংগ্ৰেছৰ ওচৰত প্ৰত্যুত্তৰ দান কৰিব লাগে আৰু প্ৰতিবেদন দাখিল কৰিব লাগে। প্ৰয়োজন হ'লে কেনো বিশেষ প্ৰশ্নৰ ওপৰত অনুসন্ধান চলাবলৈ অনুসন্ধান আয়োগ গঠন কৰি দিব পাৰে। নতুনকৈ কোনো কোনো প্ৰদেশ, স্বায়ত্ত শাসিত অঞ্চল আৰু পৌৰসভা গঠন কৰিলে তাত গণ-কংগ্ৰেছৰ অনুমোদন দৰকাৰ। তদুপৰি বিশেষ প্ৰশাসনীয় অঞ্চল গঠন কৰিলে তেনে প্ৰশাসনীয় অঞ্চলত কেনে ধৰণৰ প্ৰশাসনীয় ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব, সেই সম্পৰ্কে জাতীয় গণ-কংগ্ৰেছে সিদ্ধান্ত গ্ৰহণ কৰে। এইদৰে প্ৰয়োজন অনুসৰি ক্ষমতা প্ৰয়োগ কৰিব পৰা সাংবিধানিক অধিকাৰে কংগ্ৰেছক সকলো বিভাগ সামৰি ল'ব পৰা ক্ষমতা অৰ্পণ কৰিছে।

**৪। নিযুক্তি ক্ষমতা (Power of Appointments) ঃ** নিৰ্বাচন আৰু নিয়োগ সম্পৰ্কত কংগ্ৰেছ কিছুমান গুৰুত্বপূৰ্ণ ক্ষমতাৰ অধিকাৰী। চীন গণৰাজ্যৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিক জাতীয় গণ-কংগ্ৰেছে নিৰ্বাচন কৰে। ৰাষ্ট্ৰপতিৰ মনোনয়ন সাপেক্ষে ৰাষ্ট্ৰীয় পৰিষদৰ প্ৰধানমন্ত্ৰীক নিৰ্বাচন কৰে। সেইদৰে প্ৰধানমন্ত্ৰীৰ অনুমোদন অনুযায়ী ৰাষ্ট্ৰীয় পৰিষদৰ উপ-প্ৰধানমন্ত্ৰী, বিভিন্ন বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী, অডিটৰ জেনেৰেল আৰু সচিব প্ৰধানক বাছনি কৰে। ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পৰিষদৰ সভাপতি আৰু সভাপতিৰ অনুমোদন সাপেক্ষে অন্যান্য সদস্যসকলক কংগ্ৰেছে নিৰ্বাচন কৰে। তাৰোপৰি সৰ্বোচ্চ গণ-ন্যায়ালয়ৰ সভাপতি (President of the Supreme People's Court) আৰু প্ৰকিউৰেটৰ জেনেৰেলজনো ইয়াৰ দ্বাৰা নিৰ্বাচিত হয়।

Scanned with CamScanner

এওঁলোক প্ৰত্যেকেই নিজ নিজ কাৰ্যৰ বাবে জাতীয় গণ-কংগ্ৰেছৰ ওচৰত কৈফিয়ৎ দিবলৈ বাধ্য। এইসকল পদাধিকাৰীক কাৰ্যকালৰ আগতে পদৰ পৰা অপসাৰণ বা ঘূৰাই অনাৰ ক্ষমতা কংগ্ৰেছক দিয়া হৈছে।

৫। **কূটনৈতিক ক্ষমতা (Diplomatic Power) :** জাতীয় গণ-কংগ্ৰেছে আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত চীন গণৰাজ্যৰ প্ৰতিনিধিত্ব কৰে। দেশৰ বহিঃ আৰু আভ্যন্তৰীণ শান্তি ৰক্ষাৰ বাবে বৈদেশিক আৰু আভ্যন্তৰীণ প্ৰশাসনীয় নীতি সম্পৰ্কে উঠা প্ৰশ্নবোৰৰ সিদ্ধান্ত ল'ব লাগে। ই দেশৰ বৈদেশিক নীতি নিৰ্ধাৰণ কৰে। কংগ্ৰেছে ৰাষ্ট্ৰৰ নিৰাপত্তা ৰক্ষাৰ বাবে সামৰিক বাহিনী পৰিচালনা কৰে।

৬। **বিত্তীয় ক্ষমতা (Financial Power) :** চীন গণৰাজ্যৰ ৰাষ্ট্ৰীয় বাজেট অনুমোদন কৰাৰ আৰু ইয়াৰ ৰূপায়ণৰ ব্যৱস্থা কৰাৰ একমাত্ৰ অধিকাৰী হৈছে জাতীয় গণ-কংগ্ৰেছ। জাতীয় অৰ্থনৈতিক পৰিকল্পনাসমূহ নিৰ্ধাৰণ আৰু বাস্তৱত ৰূপায়ণ কৰা কাৰ্যও ইয়াৰ হাতত ন্যস্ত থাকে। কংগ্ৰেছে প্ৰয়োজন সাপেক্ষে আন আন কাৰ্য কৰা আৰু ক্ষমতা প্ৰয়োগ কৰাৰ অধিকাৰ আছে।

৭। **অন্যান্য ক্ষমতা (Misc. Powers) :** ওপৰত আলোচনা কৰা ক্ষমতাসমূহৰ উপৰি ৰাষ্ট্ৰৰ সৰ্বোচ্চ সংস্থা হিচাপে জাতীয় গণ-কংগ্ৰেছে অন্যান্য আৰু বহুতো কাৰ্য আৰু ক্ষমতা প্ৰয়োগ কৰিব পাৰে বুলি সংবিধানত কোৱা হৈছে। জাতীয় গণ-কংগ্ৰেছৰ ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত কোনো সীমাবদ্ধতা নাই। ই সকলো বিষয়কে সাঙুৰি লৈছে। ফলত ই ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ সৰ্বোচ্চ সংস্থা হিচাপে পৰিগণিত হৈছে।

ওপৰত কোৱা হৈছে জাতীয় গণ-কংগ্ৰেছ চীন গণৰাজ্যৰ ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ উৰ্দ্ধতম অংগ। ই ৰাষ্ট্ৰীয় সকলো সংগঠন আৰু কৰ্মচাৰীসকলৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰপতিৰ ঘোষিত আদেশ ইয়াৰ দ্বাৰা অনুমোদিত হ'ব লাগে। প্ৰশাসনিক আৰু আৰ্থিক বিষয়ত তদন্ত আয়োগ আৰু হিচাপ-পৰীক্ষক আয়োগ আৰু ইয়াৰ কাৰ্য সম্পাদনৰ বাবে বিভিন্ন সমিতি নিযুক্ত কৰিব পাৰে। ৰাষ্ট্ৰীয় পৰিষদৰ সদস্যসকলে জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলে সোধা সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ বাধ্য থাকে। ইয়াৰ উপৰি গণ-কংগ্ৰেছে বৈদেশিক বাণিজ্য, বেংক আৰু বীমা ব্যৱস্থা নিয়ন্ত্ৰণ; ভূমি, খনিজ, শিল্প আৰু জনস্বাস্থ্য বিষয়ত মূলনীতি প্ৰণয়ন, শ্ৰমিক বিধি, পৰিবহন আৰু যোগাযোগ ব্যৱস্থা পৰিচালনা, বৈবাহিক আৰু পাৰিবাৰিক সম্বন্ধ সংক্ৰান্ত আইন, নাগৰিকতা আৰু বিদেশীসকলৰ অধিকাৰ সম্পৰ্কে আইন প্ৰণয়ন কৰিব পাৰে।

**জাতীয় গণ-কংগ্ৰেছৰ ভূমিকা (Role of the National People's Congress) :** ১৯৮২ চনৰ লোকতান্ত্ৰিক চীন গণৰাজ্যৰ সংবিধানে জাতীয় গণ-কংগ্ৰেছৰ ওপৰত ন্যস্ত কৰা বিভিন্ন ক্ষমতা আৰু কাৰ্যাৱলী পৰ্যালোচনা কৰি চালে ইয়াক ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ উৰ্দ্ধতম সংস্থা বুলি আখ্যা দিব পাৰি। জাতীয় গণ-কংগ্ৰেছে এককভাৱে দেশৰ সমগ্ৰ আইন বিষয়ক ক্ষমতা, কেতবোৰ প্ৰশাসনিক আৰু বিচাৰ বিষয়ক কাৰ্যাৱলী পৰিচালনা কৰে। চীন গণৰাজ্যৰ সংবিধানত ক্ষমতা পৃথকীকৰণ নীতিয়ে স্বীকৃতি লাভ কৰা নাই। ফলত ৰাষ্ট্ৰৰ সকলো কাৰ্য ইয়াৰ কৰ্তৃত্বাধীন বুলি ক'ব পাৰি। ই চৰকাৰৰ সকলো অংগকে নিয়ন্ত্ৰণ কৰিব পাৰে। ইয়াৰ ক্ষমতাৰ কোনো

Scanned with CamScanner

সীমা নাই যেন লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ ক্ষমতা বিভিন্নভাৱে সীমিত হোৱা দেখা যায়।

জাতীয় গণ-কংগ্ৰেছৰ অধিৱেশন বছৰেকত এবাৰ অনুষ্ঠিত হয় আৰু ই ১০/১২ দিনতকৈ অধিক দিন নাথাকে। গতিকে দীঘলীয়া বিৰতিৰ পিছত আৰু ইমান কম সময়ৰ বাবে মিলিত সংগঠন এটাক শক্তিশালী সংস্থা হিচাপে আখ্যা দিব নোৱাৰি। তদুপৰি জাতীয় গণ-কংগ্ৰেছৰ সদস্যসংখ্যা অত্যধিক। অত্যধিক সদস্যসংখ্যা আৰু অধিৱেশনৰ কাৰ্যকাল চমু হোৱা বাবে ই আমেৰিকাৰ কংগ্ৰেছ বা বৃটিছ সংসদৰ দৰে আইন প্ৰণয়ন, সংবিধান সংশোধন আৰু প্ৰশাসনিক কাম-কাজত একান্তভাৱে মনোনিৱেশ কৰিব নোৱাৰে। অৰ্থাৎ ৰাষ্ট্ৰশক্তিৰ সৰ্বোচ্চ সংস্থাৰূপে জাতীয় গণ-কংগ্ৰেছৰ পক্ষে সকলো দায়িত্ব আৰু কৰ্তব্য যথাযথভাৱে সম্পাদন কৰাটো সম্ভৱ হৈ নুঠে।

জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিৰ ক্ৰমবৰ্ধমান ক্ষমতা আৰু কংগ্ৰেছৰ অধিৱেশন নথকা কালছোৱাত ইয়াৰ দ্বাৰা যাৱতীয় কাৰ্য সম্পাদন কৰাৰ ফলত জাতীয় গণ-কংগ্ৰেছৰ কাৰ্যকাৰিতা আৰু মৰ্যাদা হ্ৰাস পোৱা যেন লাগে। কংগ্ৰেছৰ অধিৱেশন নথকা কালছোৱাত স্থায়ী সমিতিয়েহে শাসনতান্ত্ৰিক কাৰ্যকলাপত ধাৰাবাহিকতা বজায় ৰাখিব লাগে।

চীন গণৰাজ্যৰ চৰকাৰ আৰু ৰাজনৈতিক দল দুটা বেলেগ সংগঠন যদিও জাতীয় গণ-কংগ্ৰেছৰ ক্ষমতাৰ ওপৰত সাম্যবাদী দলৰ অবিসংবাদী নেতৃত্ব আৰু প্ৰভাৱ সকলো ক্ষেত্ৰতে বিৰাজমান। সাম্যবাদী দলে কংগ্ৰেছৰ ক্ষমতা আৰু প্ৰাধান্য নিয়ন্ত্ৰণ কৰে। কংগ্ৰেছৰ কাম হ'ল সাম্যবাদী দলৰ নিৰ্দেশ আৰু সিদ্ধান্ত আনুষ্ঠানিকভাৱে কাৰ্যকৰী কৰা। আমেৰিকা যুক্তৰাষ্ট্ৰ বা বৃটেইনৰ দৰে চীন গণৰাজ্যত কোনো বিৰোধী দল নাই। ফলত সাম্যবাদী দলৰ নিৰ্দেশ অনুসৰি কংগ্ৰেছ পৰিচালিত হয়। গ্ৰেট বৃটেইন বা ভাৰতৰ সংসদৰ ক্ষমতা আৰু মৰ্যাদা চীনৰ জাতীয় কংগ্ৰেছে ভোগ নকৰে।

জাতীয় গণ-কংগ্ৰেছৰ ভূমিকাৰ বিষয়ে অনেক সমালোচনা হ'লেও ইয়াৰ গুৰুত্ব নাই বুলি ক'ব নোৱাৰি। জাতীয় গণ-কংগ্ৰেছে সদায় শ্ৰমিক আৰু কৃষকসকলৰ স্বাৰ্থৰ প্ৰতি সচেষ্ট থাকে। ইয়াত পুঁজিপতি শ্ৰেণীৰ কোনো প্ৰাধান্য নাই। প্ৰতিজন সদস্যই নিজ নিজ সমষ্টিৰ যাৱতীয় সমস্যাসমূহ জাতীয় গণ-কংগ্ৰেছৰ গুচৰত দাঙি ধৰে আৰু ইয়াৰ দ্বাৰা গৃহীত সিদ্ধান্তসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি তেওঁলোকক উৎসাহিত, অনুপ্ৰাণিত আৰু শিক্ষিত কৰি তোলে। গতিকে ক'ব পাৰি যে যদিও অন্যান্য গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বিধানমণ্ডলৰ তুলনাত চীন গণৰাজ্যৰ জাতীয় গণ-কংগ্ৰেছ মৰ্যাসম্পন্ন নহয়, তথাপি ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাত ইয়াৰ গুৰুত্ব আৰু প্ৰাধান্য উপেক্ষা কৰিব নোৱাৰি।

## জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতি
## (Standing Committee of the National People's Congress)

লোকতান্ত্ৰিক চীন গণৰাজ্যৰ ১৯৮২ চনৰ সংবিধানৰ এক অভিনৱ বৈশিষ্ট্য হ'ল জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতি। পৃথিৱীৰ অন্যান্য গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সংবিধানত অনুৰূপ সংস্থাৰ উল্লেখ পোৱা নাযায়, অৱশ্যে ছোভিয়েট ৰাছিয়াৰ আগৰ সংবিধানৰ প্ৰেছিডিয়ামৰ লগত

Scanned with CamScanner

ইয়াৰ কিছুমান বিষয়ত মিল থকা দেখা যায়।

জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতি চীনৰ সাম্যবাদী দলৰ এক অবিস্মৰণীয় সৃষ্টি। ই জাতীয় গণ-কংগ্ৰেছৰ এখন স্থায়ী কাৰ্যনিৰ্বাহক সংগঠন। আগতে কোৱা হৈছে যে অতি কম সময়ৰ বাবে বছৰত এবাৰকৈ জাতীয় গণ-কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত হয়। তেনে পৰিস্থিতিত আইন প্ৰণয়নকে ধৰি যাবতীয় কাৰ্য পৰিচালনা কৰা জাতীয় কংগ্ৰেছৰ বাবে সম্ভৱ নহয়। সেয়ে কাৰ্য পৰিচালনা আৰু কাৰ্যৰ ধাৰাবাহিকতা বজায় ৰাখিবলৈ জাতীয় গণ-কংগ্ৰেছৰ হৈ স্থায়ী সমিতিয়ে ইয়াৰ অধিৱেশন নোহোৱা সময়ছোৱাত কাৰ্য পৰিচালনা কৰে। আগৰ সংবিধানবিলাকত স্থায়ী সমিতিক আইন প্ৰণয়নৰ কৰ্তৃত্ব দিয়া হোৱা নাছিল। ১৯৮২ চনৰ সংবিধানে জাতীয় গণ-কংগ্ৰেছৰ কৰ্তৃত্ব নথকা বিষয়সমূহৰ ওপৰত স্থায়ী সমিতিয়ে আইন প্ৰণয়ন কৰিব আৰু আইনৰ প্ৰয়োজনীয় সংশোধনো কৰিব পৰাৰ ক্ষমতা প্ৰদান কৰিছে। তদুপৰি আগৰ সংবিধানত জাতীয় গণ-কংগ্ৰেছৰ অধিৱেশন আগুৱাই বা পিছুৱাই দিয়াৰ ব্যৱস্থা আছিল। কিন্তু নতুন সংবিধানে প্ৰতি বছৰে ইয়াৰ এটাকৈ অধিৱেশন অনুষ্ঠিত কৰাটো বাধ্যতামূলক কৰে। সেয়ে স্থায়ী সমিতিৰ ওপৰত ন্যস্ত কৰা ক্ষমতাসমূহলৈ লক্ষ্য কৰিলে ইয়াক চীন গণৰাজ্যৰ সৰ্বোচ্চ স্থায়ী কাৰ্যকৰী সংস্থা বুলি ক'ব পাৰি।

**গঠন (Composition) :** চীন গণৰাজ্যৰ ১৯৮২ চনৰ সংবিধানৰ ৬৫ নং অনুচ্ছেদত জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিৰ গঠন প্ৰক্ৰিয়া বৰ্ণনা কৰা আছে। সংবিধানৰ ৬৬ নং অনুচ্ছেদ অনুসৰি জাতীয় গণ-কংগ্ৰেছৰ দ্বাৰা নিৰ্বাচিত সদস্যেৰে এই সমিতি গঠন হয়। সাধাৰণ সদস্যৰ উপৰি, ইয়াৰ সভাপতি, উপ-সভাপতি আৰু এজন সচিব-প্ৰধান থাকে। দেশৰ সংখ্যালঘু সম্প্ৰদায়বিলাকৰ প্ৰতিনিধিত্বৰ ব্যৱস্থাও স্থায়ী সমিতিত আছে। স্থায়ী সমিতিৰ সদস্যসংখ্যা কিমান হ'ব সেই বিষয়ে সংবিধানত কোনো উল্লেখ নাই।

স্থায়ী সমিতিৰ কাৰ্যকাল ৫ বছৰ। অৱশ্যে জাতীয় গণ-কংগ্ৰেছৰ দ্বাৰা নতুন সমিতি নিৰ্বাচন নোহোৱালৈকে আগৰ সমিতিয়েই ক্ষমতাত অধিষ্ঠিত থাকে। স্থায়ী সমিতি নিজৰ কাৰ্যকলাপৰ বাবে কংগ্ৰেছৰ ওচৰত দায়বদ্ধ। কংগ্ৰেছে কাৰ্যকাল শেষ হোৱাৰ আগতে তেওঁলোকক পদৰ পৰা নমাই আনিব পাৰে। স্থায়ী সমিতিৰ কোনো সদস্যই দেশৰ প্ৰশাসনীয়, ন্যায়িক আদি কামৰ দায়িত্বৰ পদত নিযুক্ত হ'ব নোৱাৰিব। স্থায়ী সমিতিৰ সভাপতি আৰু উপ-সভাপতিয়ে সংবিধানৰ ৬৬ নং অনুচ্ছেদ অনুসৰি একেলেথাৰিয়ে দুটাতকৈ অধিক কাৰ্যকাল সেই পদত থাকিব নোৱাৰে। স্থায়ী সমিতিৰ নিজা কাৰ্যালয় সচিব প্ৰধানৰ পৰিচালনাত থাকে।

১৯৮২ চনৰ সংবিধানৰ ৬৮ নং অনুচ্ছেদ অনুসৰি স্থায়ী সমিতিৰ সভাপতিজনে ইয়াৰ আটাইবোৰ বৈঠকত সভাপতিত্ব কৰে। উপ-সভাপতিসকল আৰু সচিবজনে সভাপতিক কাৰ্য পৰিচালনাত সহায় কৰে।

**ক্ষমতা আৰু কাৰ্য (Powers and Functions) :** জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিৰ কাৰ্যকলাপ মিশ্ৰ ধৰণৰ। সংবিধানৰ ৬৭ নং অনুচ্ছেদ অনুযায়ী স্থায়ী সমিতিৰ তলত উল্লেখ কৰা ক্ষমতা আৰু কাৰ্যসমূহ আছে।

**১। আইন সংক্ৰান্ত ক্ষমতা (Legislative Power) :** স্থায়ী সমিতিৰ অন্যতম প্ৰধান

Scanned with CamScanner